# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশতিতম সমাৱৰ্তন সমাৰোহ আজি অনুষ্ঠিত হয়। এই সমাৰোহত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ অধ্যাপক এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁৰ সমাৱৰ্তন ভাষণত অধ্যাপক কুমাৰে কয়, যে ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ দৰেই আমাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহো সংবিধানৰ আদৰ্শৰে পৰিচালিত হয়। তেওঁ শিক্ষাৰ্থীসকলক প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনায়। বিশ্বৰ আগশাৰীৰ বুলি বিবেচিত ফৰ্চুন ফাইভ হাণ্ড্ৰেড কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ অধিকাংশই ভাৰতীয় হোৱাৰ উদাহৰণ দি অধ্যাপক কুমাৰে কয়, যে দেশক সম্পূৰ্ণকৈ সলনি কৰাৰ ক্ষমতা আমাৰ যুৱ সমাজৰ আছে। তেওঁ উচ্চ শিক্ষাৰ সুবিধা সমাজৰ দুৰ্বলতৰ শ্ৰেণীৰ শিক্ষাৰ্থীয়েও লাভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দীক্ষান্ত সমাৰোহত সভাপতিত্ব কৰি ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণপ্ৰসাদ আচাৰ্যই কয়, যে এনে সমাৱৰ্তন সমাৰোহে শিক্ষাৰ্থীসকলক সমাজ আৰু দেশৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিয়াত মুখ্য ভূমিকা পালন কৰে। অনুষ্ঠানত ভাষণ দি তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক শম্ভুনাথ সিঙে পৰৱৰ্তী শিক্ষা বছৰত তেজপুৰ বিশ্ববিদ্যালয়ত অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, মনস্তত্বঃ বিজ্ঞান, ভূগোল বিজ্ঞান, পৰিৱেশ্য কলা আৰু জনজাতি অধ্যয়ন বিভাগ মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। আজিৰ সমাৱৰ্তনত ১৩১ গৰাকী শিক্ষাৰ্থীক পি এইচ ডি, ৭৩৯ গৰাকীক স্নাতকোত্তৰ, ৪২৮ গৰাকীক স্নাতক, ১৪ গৰাকীক স্নাতকোত্তৰ ডিপ্ল'মা আৰু দূৰ সংযোগ আৰু অনলাইন মাধ্যমেৰে ডিপ্ল'মা লাভ কৰা ৫১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানতে যোৱা শিক্ষা বৰ্ষত শ্ৰেষ্ঠ স্নাতক পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থী - খাদ্য প্ৰযুক্তি বিভাগৰ সুমন্ত চৌধুৰী আৰু শ্ৰেষ্ঠ স্নাতকোত্তৰ পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থী ৰসায়ন বিজ্ঞান বিভাগৰ অভিনৱ হাজৰিকাক স্বৰ্ণ পদক প্ৰদান কৰা হয়। তেওঁলোকৰ লগতে আন ৪৭ গৰাকী শিক্ষাৰ্থীকো সোণৰ পদক প্ৰদান কৰা হয়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা মটৰ চাইকেলেৰে বিশ্ব ভ্ৰমণলৈ অহাৰ বাটত লামডিঙৰ সমীপত সংঘটিত পথ দুৰ্ঘটনাত নিহত বেৰী থমছন নামৰ মহিলা পৰ্যটকগৰাকীৰ অন্তিম সংস্কাৰ আজি নগাঁও চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন কৰা হয়। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে মাৰ্কিন নাগৰিকগৰাকীৰ মৃতদেহ আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুযায়ী যোৱা এসপ্তাহ ধৰি চিকিৎসালয়খনত সংৰক্ষণ কৰা হৈছিল। নতুন দিল্লীস্থিত মাৰ্কিন দূতাবাসে বেৰীৰ পৰিয়ালৰ সন্মতিসাপেক্ষে মৃতদেহৰ অন্তিম সংস্কাৰ নগাঁৱতে সম্পন্ন কৰাৰ বাবে অনুমতি দিয়ে আৰু সেই অনুসৰি আজি খ্ৰীষ্টিয় ৰীতি-নীতি অনুসৰি তেওঁৰ শৰদেহ সমাধিস্থ কৰা হয়। উল্লেখযোগ্য যে কেইবাখনো দেশ মটৰ চাইকেলেৰে ভ্ৰমণ কৰি ৮ দিন পূৰ্বে

লামডিঙৰ পৰা তেজপুৰ অভিমুখে গৈ থকা অৱস্থাত এখন ট্ৰাকে বেৰীক খুন্দিওৱাৰ ফলত তেওঁৰ মৃত্যু হৈছিল।

০০০০০

যোৱা শনিবাৰে কলিয়াবৰ চাহ বাগিচাৰ এজন শ্ৰমিক বাঘৰ আক্ৰমণত নিহত হোৱাৰ পাছত বন বিভাগে এই নৰখাদক বাঘটো ধৰাৰ বাবে অভিযান আৰম্ভ কৰিছে। শালনা সংমণ্ডলৰ বনাঞ্চলিক বিষয়াগৰাকীৰ উদ্ধৃতি দি আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বন বিভাগে বনাঞ্চলৰ সমীপত এটা পিঞ্জৰা স্থাপন কৰিছে আৰু বাঘটোৰ গতি-বিধি নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে যোৱা ১০ দিনত কলিয়াবৰ চাহ বাগিচাৰ ৩ জনকৈ শ্ৰমিকক নৰখাদক বাঘটোৱে আক্ৰমণ কৰিছিল। ইয়াৰে এজন শ্ৰমিকৰ ছিন্ন মুণ্ড পাছত উদ্ধাৰ কৰা হৈছিল। লক্ষীৰাম ভূমিজ নামৰ আন এগৰাকী প্ৰাক্তন শ্ৰমিক এতিয়াও নিৰুদ্দেশ হৈ আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সংবাদমাধ্যমৰ প্ৰচাৰবিমুখ তিনিগৰাকী ব্যক্তিৰ সৈতে আলোচনাৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত দৃষ্টিবাধিতসকলৰ বাবে নিৰলসভাৱে কাম কৰি অহা সংগঠন কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৰ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসৰ সৈতে হোৱা কথা-বতৰা শুনিবলৈ পাব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি তিনিওগৰাকী অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাত সমষ্টিৰ গোলোং টেমেৰা গাঁও পঞ্চায়তত অনুষ্ঠিত এখন সভাত পাৱাৰ টিলাৰ আৰু পানী পাম্প মেচিন প্ৰদান কৰে। প্ৰধানমন্ত্ৰী আদৰ্শ গ্ৰাম্য যোজনা আঁচনিৰ অধীনত আই টি ডি পিৰ দ্বাৰা ২২ টা আত্মসহায়ক গোট আৰু কৃষক গোটৰ মাজত পাৱাৰ টিলাৰ আৰু পানী পাম্প মেচিন বিতৰণ কৰা হয়।

০০০০০

স্বাস্থ্যকৰ জীৱনশৈলীৰ প্ৰচাৰ আৰু গুৰুত্বপূৰ্ণ স্বাস্থ্য সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধিৰ প্ৰচেষ্টাৰে কালি শোণিতপুৰ জিলাৰ বৰচলাত স্বাস্থ্য আৰু পৰিপুষ্টি মেলা ২০২৪ অনুষ্ঠিত হয়। মহিলা আৰু শিশু বিকাশ বিভাগ, শোণিতপুৰৰ উদ্যোগত আৰু সংকল্প হাব, অসমৰ সহযোগত জিলাখনৰ ডুমডুমাত থকা মিলন সংঘৰ তথা পুথিভঁৰালৰ ৰাজহুৱা ভৱনত এই মেলা অনুষ্ঠিত হয়। এই পৰিপুষ্টি মেলাত স্থানীয়ভাৱে উতপাদিত সামগ্ৰী, স্বাস্থ্যকৰ খাদ্যৰ বিকল্প আৰু পুষ্টি উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন বিপণীৰ লগতে পুষ্টি আৰু পৰামৰ্শ কোষ, কিশোৰী সেৱিকা কোষ, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা পঞ্জীয়ন কোষ, ৰক্তহীনতাৰ পৰীক্ষা আৰু সজাগতা কোষ আদিও আছে। মেলাত অংশগ্ৰহণকাৰীসকলক পুষ্টিকৰ আহাৰৰ গুৰুত্বৰ বিষয়ে অৱগত কৰা, বহনক্ষম খাদ্যাভাসৰ প্ৰচাৰ কৰা আৰু পুষ্টিকৰ খাদ্য গ্ৰহণৰ বিষয়ে সজাগতা বৃদ্ধি কৰাটোৱে এই মেলাৰ মূল

উদ্দেশ্য। খাদ্য মেলাৰ লগতে কিশোৰীসকলৰ ঋতুস্ৰাবজনিত স্বাস্থ্য সম্বন্ধীয় আলোচনা-চক্ৰৰো আয়োজন কৰা হয়। মঙলদৈ জিলাতো আজি পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত স্বাস্থ্য আৰু পৰিপুষ্টি মেলা ২০২৪ অনুষ্ঠিত হয়। অনুষ্ঠানত দৰং জিলা প্ৰশাসন আৰু মহিলা-শিশু বিকাশ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত